বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থান সে সংবদ্ধ

# शिशु शिक्षा समिति,असम

বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ

# শিশু শিক্ষা সমিতি, অসম

Regd. No. RS/579 (1979-80)

**ADDRESS : SHISHU SHIKSHA SAMITI, ASSAM**

Prashanta Path, (Opp. T.V. Centre) R.G. Baruah Road, Guwahati – 781024 (Assam),

Phone/Fax 0361-2203976/ 88110-72427(M), E-mail:shishushikshasamiti@gmail.com

প্ৰসংগঃ শি.শি.স.অ./১৪৮/২১

দিনাংকঃ ০৭/০৪/২০২১

প্ৰতি,

মাননীয় সম্পাদক,

শংকৰদেৱ বিদ্যাপীঠ, যোৰহাট

(মাৰফৎ - শ্ৰীগীতা আশ্ৰম, শ্ৰীগীতা গো শালা পাৰমাৰ্থ সংস্থা)

এন.এইচ্ - ৩৭, পদুমনি (কেন্দুগুৰি বাই পাচৰ ওচৰত)

এ.টি ৰোড্, যোৰহাট - ৭৮৫০১০

**বিষয় : সম্পৰ্কিত বিদ্যালয়ৰ অনুমতি**

মহাশয়,

সাদৰ নমস্কাৰ। আপোনাৰ ০৮/০৩/২০২১ ইং তাৰিখৰ আবেদন পত্ৰ আৰু ০৮/০৩/২০২১ তাৰিখৰ আলোচনাৰ ভিত্তিত **শংকৰদেৱ বিদ্যাপীঠ, যোৰহাট** বিদ্যালয়খন নিম্নলিখিত চৰ্ত সমূহৰ সাপেক্ষে সম্পৰ্কিত পৰ্যায়ৰ বিদ্যালয় হিচাবে অনুমতি প্ৰদান কৰা হ'ল।

১। শিশু শিক্ষা সমিতি, অসমৰ নীতি-নিৰ্দেশনা সকলো সময়তে মানি চলিব লাগিব।

২। বিদ্যালয়খন শিশু শিক্ষা সমিতি, অসমৰ সম্পৰ্কিত কৰিবলৈ সম্পৰ্কিত মাচুল ২,০০০,০০ (দুই হাজাৰ) টকা প্ৰদেশ কাৰ্যালয়ত জমা কৰিব লাগিব। তাৰ উপৰিও প্ৰদেশ সমিতিক দিব লগা কেৱল মাত্ৰ সমিতি শুল্ক প্ৰতি বছৰে মে', জুন মাহৰ ভিতৰত আদায় দিব লাগিব।

৩। প্ৰদেশ সমিতিৰ নীতি-নিৰ্দেশনা উলংঘা কৰিলে বিদ্যালয়খনৰ লগত সম্পৰ্ক বাতিল কৰা হ'ব পাৰে।

৪। প্ৰদেশ সমিতিৰ লগত যোগাযোগৰ বাবে (বছৰত কমেও এবাৰ) প্ৰদেশ কাৰ্যালয়ত দেখা কৰিব। সমিতিয়ে পঠিওৱা চিঠি-পত্ৰৰ উত্তৰ বিদ্যালয়ে সোনকালে পাৰে পঠিয়াব।

৫। এই অনুমতি অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকেহে বাহাল থাকিব। ষষ্ঠ শ্ৰেণী সম্প্ৰসাৰণ কৰিব বিচাৰিলে পুনৰ উচ্চ-মাধ্যমিক বিদ্যালয় উপ-সমিতি, শিশু শিক্ষা সমিতি, অসমৰ পৰা আগতীয়াকৈ অনুমতি ল'ব লাগিব।

**সম্পৰ্কিত পৰ্যায়ৰ বিদ্যালয় হিচাবে নিম্ন লিখিত সা-সুবিধা সমূহ শিশু শিক্ষা সমিতি, অসমৰ পৰা পাই থাকিব।**

ক। সম্পৰ্কিত বিদ্যালয় হিচাবে আমাৰ সংস্থানৰ উদ্দেশ্য, লক্ষ্য আৰু নাম ব্যৱহাৰ কৰিব পাৰিব।

খ। পাঠ্যপুথি, পাঠ্যক্ৰম আদিৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

গ। আচাৰ্য-আচাৰ্যা সকলে প্ৰশিক্ষণ আৰু অন্য কাৰ্যক্ৰমত অংশ গ্ৰহণ কৰিব পাৰিব।

ঘ। সংস্কৃতি জ্ঞান পৰীক্ষাৰ শুল্ক জমা কৰি এই পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিব পাৰিব আৰু বিদ্যা ভাৰতী সংবাদ শুল্ক জমা কৰি, সংবাদখন ল'ব পাৰিব।

ঙ। ছয়মাহিলি আৰু বছৰেকীয়া পৰীক্ষাৰ প্ৰশ্ন-পত্ৰও শুল্ক জমা কৰি সংগ্ৰহ কৰিব পাৰিব।

*ভাৰতীয় দৰ্শন আৰু সংস্কৃতিৰ আধাৰত দেশৰ উঠি অহা কণ-কণ শিশু সকলক সু-সংস্কাৰেৰে প্ৰকৃত "মানুহ" হিচাবে গঢ় দিয়াৰ বাবে আপোনালোকে যি উদ্যোগ লৈছে তাত সম্পূৰ্ণ সফলতা লাভ কৰক। এই কামনাৰে -*

ভৱদীয়

কুলেন্দ্ৰ কুমাৰ ভাগৱতী
7/04/2021

সাধাৰণ সম্পাদক
শিশু শিক্ষা সমিতি, অসম
প্ৰশান্ত পথ, গুৱাহাটী-২৪

প্ৰতিলিপিঃ

১। সহ বিভাগ নিৰীক্ষক, যোৰহাট বিভাগ।

২। সংকুল প্ৰমুখ, যোৰহাট সংকুল।

স্বাঃ -
সাধাৰণ সম্পাদক
শিশু শিক্ষা সমিতি, অসম